**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 22**-07-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::::**

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সাক্ষাৎ। সাক্ষাৎকালত ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত আলোচনা।

২। সংসদত কাইলৈ দাখিল কৰিবলগীয়া কেন্দ্ৰীয় বাজেটে ২০৪৭ বৰ্ষৰ বিকশিত ভাৰতৰ ভেটি নিৰ্মাণ কৰিব বুলি প্ৰধানমন্ত্ৰীৰ আশা প্ৰকাশ।

৩। সদনত চলিত বিত্তীয় বৰ্ষৰ বাবে ৬ দশমিক ৫ৰ পৰা ৭ শতাংশ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ সম্ভাৱনাৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ অৰ্থনৈতিক সমীক্ষা দাখিল।

৪। অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত ৰাকেশ পালসহ ৩২ জন অভিযুক্তক দোষী সাব্যস্ত।

*আৰু*

৫। বিগত পাঁচটা বছৰত জলজীৱন অভিযান 'হৰ ঘৰ জল'ৰ অধীনত দেশত প্ৰায় ১১ কোটি ৭৫লাখ গ্ৰামীণ পৰিয়ালক নলযোগে খোৱাপানীৰ সংযোগ প্ৰদান।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বৈঠকত মিলিত হয়। বন্যাৰ্তসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বিষয়েও তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰে। তদুপৰি সাক্ষাতকালত ৰাজ্যত চলি থকা উন্নয়নমূলক কামসমূহৰ স্থিতিৰ বিষয়েও আলোচনা কৰা হয়। অসমৰ জনসাধাৰণৰ হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক তৃতীয় কাৰ্যকালৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

oooooooo

সংসদৰ বাজেট অধিৱেশন আজি আৰম্ভ হৈছে। কাইলৈ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বৰ্ষৰ বাজেট দাখিল কৰিব। আজি বিত্তমন্ত্ৰীগৰাকীয়ে সদনত চলিত বিত্তীয় বৰ্ষৰ বাবে ৬ দশমিক ৫ৰ পৰা ৭ শতাংশ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ সম্ভাৱনাৰে অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। ইপিনে, সদনত কাইলৈ দাখিল কৰিবলগীয়া কেন্দ্ৰীয় বাজেটে দেশৰ পৰৱৰ্তী ৫ বছৰৰ কাৰ্যকলাপৰ বাবে দিশ নিৰ্ণয় কৰাৰ লগতে ২০৪৭ বৰ্ষৰ বিকশিত ভাৰতৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে ভেটি নিৰ্মাণ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংসদ ভৱনৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয় যে লোকসভাৰ শেহতীয়া নিৰ্বাচনত দেশৰ জনসাধাৰণে তেওঁলোকৰ ৰায় দান কৰে আৰু এতিয়াৰেপৰা পৰৱৰ্তী ৫ বছৰৰ বাবে সকলো ৰাজনৈতিক দলেই একেলগে কাম কৰাটো অপৰিহাৰ্য হৈ পৰিল। বিৰোধী দলসমূহে নিজৰ বিফলতাক ঢাকি ৰখাৰ চেষ্টাৰে সংসদৰ সময় ব্যৱহাৰ কৰা বুলি অভিযোগ কৰি এনে নেতিবাচক ৰাজনীতিৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক সমালোচনা কৰে।

সদনৰ কাম-কাজ ৰাজনৈতিক দলসমূহৰ স্বাৰ্থত নহয়, বৰঞ্চ দেশৰ স্বাৰ্থতহে সম্পন্ন হয় বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে ৰাজনৈতিক দলসমূহক তেওঁলোকৰ নিজস্ব কাৰ্যসূচীৰ পৰিৱৰ্তে দেশৰ সেৱাৰ হকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সাংসদসকলৰ প্ৰতি সেৱা আগবঢ়োৱাৰ পৰিৱৰ্তে দেশৰ ১৪০ কোটি নাগৰিকৰ প্ৰতি সেৱা আগবঢ়োৱাটোহে সদনৰ দায়িত্ব বুলি মত প্ৰকাশ কৰাৰ লগতে সংসদৰ প্ৰতিগৰাকী সদস্যক, বিশেষকৈ প্ৰথমবাৰৰ বাবে সদনলৈ অহা সদস্যসকলক তেওঁলোকৰ দৃষ্টিভংগী প্ৰকাশ কৰাৰ সুযোগ দিবলৈকো তেওঁ ৰাজনৈতিক দলসমূহৰ প্ৰতি আহ্বান জনায়।

বিগত তিনিটা বছৰত দেশত একেৰাহে প্ৰায় ৮ শতাংশকৈ অৰ্থনৈতিক বিকাশ সাধন হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক বিশ্বৰ অন্যতম দ্ৰুত বিকাশশীল অৰ্থনীতি বুলি অভিহিত কৰে। ইতিবাচক দৃষ্টিভংগী, বিনিয়োগ আৰু পাৰদৰ্শিতাৰ সুবাদত সম্প্ৰতি সুযোগৰ পৰিৱেশ শীৰ্ষত উপনীত হোৱা বুলিও তেওঁ মত প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে তেওঁ জনসাধাৰণক প্ৰদান কৰা নিশ্চয়তাসমূহ কাৰ্যকৰী কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ চৰকাৰ অগ্ৰসৰ হৈছে বুলিও নিশ্চিত কৰি দিয়ে।

বাজেট অধিৱেশনক দেশৰ গৌৰৱময় গণতান্ত্ৰিক যাত্ৰা পথৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্যস্থান বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজনৈতিক দলসমূহক দলগত আদৰ্শৰ ঊৰ্ধ্বলৈ উঠি পৰৱৰ্তী চাৰে চাৰি বছৰত দেশৰ প্ৰতি নিজক উৎসৰ্গা কৰিবলৈ আহ্বান জনায়। সকলো ৰাজনৈতিক দলেই ২০২৯ চনৰ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক ৰণত নামি পৰিব পৰাকৈ কৃষক, যুৱ সম্প্ৰদায় আৰু সামগ্ৰিকভাৱে দেশক শক্তিশালী কৰাৰ কামত অংশগ্ৰহণ কৰা উচিত বুলিও তেওঁ মত প্ৰকাশ কৰে।

oooooooo

সংসদত কাইলৈ দাখিল হ'বলগীয়া কেন্দ্ৰীয় বাজেটৰ পৰিপ্ৰেক্ষিতত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত আঞ্চলিক বাতৰিৰ সময় কিছু সালসলনি কৰা হৈছে। শ্ৰোতাসকলে কাইলৈ পুৱা ৯ বজাৰ পৰিৱৰ্তে ৮ বাজি ৪৫ মিনিটত আঞ্চলিক বাতৰি শুনিবলৈ পাব। আনহাতে দিনৰ ১ বাজি ৪০ মিনিটত প্ৰচাৰিত বাতৰি এক বাজি ৫০ মিনিটত শুনিবলৈ পাব।

oooooooo

প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত বৰ্তমানলৈ প্ৰায় দুই কোটি ২৮ লাখ ক্ষুদ্ৰ শিল্পী আৰু কাৰিকৰে নাম অন্তৰ্ভুক্ত কৰিছে। ইয়াৰে ১৩ লাখ ৯৪ হাজাৰ হিতাধিকাৰীৰ সুকলমে নাম পঞ্জীয়ন কৰা হৈছে। এইসকলৰ ভিতৰত পাঁচ লাখ ৪২ হাজাৰৰো অধিক মহিলা। দক্ষতা বিকাশ আৰু উদ্যোগীকৰণ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে লোকসভাত এটি লিখিত প্ৰশ্নৰ উত্তৰত কয় যে, দেশত মুঠ পাঁচ লাখ তিনি হাজাৰ ১৬১ গৰাকী আবেদনকাৰীক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰে দুই লাখ ৭৪ হাজাৰ ৭০৩ গৰাকী মহিলা। তেওঁ লগতে কয় যে, কৰ্ণাটকৰ পৰা সৰ্বাধিক সংখ্যক আবেদনকাৰীয়ে পঞ্জীয়ন কৰিছে। ৰাজ্যখনৰ এক লাখ ৯ হাজাৰ প্ৰাৰ্থীয়ে মৌলিক দক্ষতা প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ লাভ কৰাৰ পিছত জম্মু-কাশ্মীৰৰ ৮১ হাজাৰ আৰু গুজৰাটৰ ৭৯ হাজাৰ প্ৰাৰ্থীয়ে প্ৰমাণপত্ৰ লাভ কৰে। ইয়াৰ লগতে তেওঁ কয় যে, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু গুজৰাটত সৰ্বাধিক ৮৫ হাজাৰৰো অধিক মহিলাই মৌলিক দক্ষতা প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ছেপ্তেম্বৰ মাহত ১৮টা কৰ্মক সামৰি প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি মুকলি কৰিছিল।

oooooooo

রাজ্যৰ  খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত আজি বঙাইগাঁও আৰু বিশ্বনাথ জিলাত ৰাজ্যত উৎপাদিত ধানৰ পৰা সুলভ মূল্যৰ দোকানত চাউল বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হয়।  তেওঁ বঙাইগাঁৱৰ অসম ৰাজ্যক পন্যাগাৰ নিগমৰ ভঁৰালগৃহ চৌহদত বিকেন্দ্ৰীকৃত শস্য সংগ্ৰহ কেন্দ্ৰ মুকলি কৰে। এতিয়াৰে পৰা জিলাখনত কৃষকসকলৰ পৰা উপযুক্ত মূল্যত ক্ৰয় কৰা চাউল এই কেন্দ্ৰটোত মজুত কৰি ৰখা হ'ব। পৰৱৰ্তী সময়ত ইয়াৰ পৰাই স্থানীয় পাইকাৰী, গ্ৰাহক সমবায় সমিতিৰ জৰিয়তে সুলভ মূল্যৰ দোকানসমূহক যোগান ধৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত ৰেচন কাৰ্ড থকা ৮৬ শতাংশ ৰাইজক ৰাজ্যত উৎপাদিত চাউল  সুলভ মূল্যত বিতৰণ কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৱশ্যে ৰাজ্যখনৰ কৃষকসকলে মাত্ৰ ৪০ শতাংশ ধানহে সম্প্ৰতি ধানক্ৰয় কেন্দ্ৰত দিব পৰাৰ কথা উল্লেখ কৰি তেওঁ কৃষকসকলক চাউল চাহিদা পূৰাবলৈ অধিক পৰিমাণে ধান উৎপাদন কৰিবলৈ আহ্বান জনায়। পৰৱৰ্তী সময়ত ৰাজ্যখনৰ ৮ খন জিলাত এই প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা ডিচেম্বৰ মাহত কেবিনেট বৈঠকত মুঠ ১০ টা কেন্দ্ৰ মুকলি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

০০০০০০০০

ৰাজ্যত জাপানীছ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাব ৰোধ কৰাৰ বাবে স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বৰপেটাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ড০ পৰেশ চন্দ্ৰ কলিতাই প্ৰকাশ কৰা অনুসৰি জিলাখনত ৩৬গৰাকী লোক জাপানীছ এনচেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈছে। ইয়াৰে ১৮ গৰাকী লোক জাপানীচ এনচেফেলাইটিছ পজিধিভ বুলি চিনাক্ত হৈছে। এই ৰোগ প্ৰতিহত কৰিবলৈ স্বাস্থ্য বিভাগে সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে জিলাখনৰ ঠায়ে ঠায়ে ধোঁৱা দিয়াৰ ব্যৱস্থা কৰিছে। লগতে জ্বৰত আক্ৰান্তৰ তেজৰ নমুনা পৰীক্ষা প্ৰক্ৰিয়াও ত্বৰান্বিত কৰা হৈছে।

০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত  স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে ৩২ জন অভিযুক্তক দোষী সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ লগতে প্ৰাক্তন দুই সদস্য চামেদুৰ ৰহমান, বসন্ত কুমাৰ দলে আৰু ২৯ জন কৃষি উন্নয়ন বিষয়া পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীক ধনৰ বিনিময়ত চাকৰি লোৱা বিচাৰত দোষী সাব্যস্ত কৰে। দোষী সাব্যস্ত হোৱা সকলে লাভ কৰিবলগীয়া শাস্তি সমূহ আদালতে কাইলৈ শুনানি গ্ৰহণ কৰিব। আনহাতে তথ্য প্ৰমাণৰ অভাৱত ১১ জন অভিযুক্তক আদালতে দোষমুক্ত হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ৰাকেশ কুমাৰ পাল অধ্যক্ষ হৈ থকা সময়ত কৃষি উন্নয়ন বিষয়া নিযুক্তিৰ নামত ব্যাপক ধন লেনদেনৰ অভিযোগ তুলি এগৰাকী প্ৰাৰ্থীয়ে ২০১৭ চনত ভঙাগড় থানাত এজাহাৰ দাখিল কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত ৰাকেশ কুমাৰ পাল সহ কেইবাজনো অভিযুক্তক ভঙাগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছত আদালতে দীৰ্ঘদিন ধৰি বিভিন্ন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰি গোচৰৰ ৰায়দান দিয়ে।

০০০০০০০০

শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে কাইলৈৰ পৰা অহা ২৭ জুলাইলৈ অসমৰ কেইবাখনো জিলাৰ নিৰ্বাচিত প্ৰাৰ্থীৰ বাবে শোণিতপুৰৰ মিছামাৰী সামৰিক ঘাটিত অগ্নিবীৰ নিযুক্তি সমাৰেশৰ আয়োজন কৰিছে। যোৱা এপ্ৰিল-মে' মাহত দেশজুৰি অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাত শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁও জিলাৰ উত্তীৰ্ণ প্ৰাৰ্থীয়ে এই নিযুক্তি সমাৰেশত অংশগ্ৰহণ কৰিব পাৰিব। নিযুক্তি সমাৰেশৰ সময়ত প্ৰায় এহেজাৰ ১০০ গৰাকী নিৰ্বাচিত অগ্নিবীৰ প্ৰাৰ্থীয়ে কঠিন বাচনি পৰীক্ষাৰ মাজেৰে পাৰ হ'ব লাগিব। প্ৰাৰ্থীসকলে শাৰীৰিক সক্ষমতা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। স্বাস্থ্য পৰীক্ষাত অনুতীৰ্ণ প্ৰাৰ্থীসকলক পৰ্যালোচনৰ বাবে তেজপুৰৰ সামৰিক চিকিৎসা লয়লৈ প্ৰেৰণ কৰা হ'ব। এই নিযুক্তি পৰীক্ষাত প্ৰাৰ্থীসকলক কোনো দালালৰ বশৱৰ্তী নহ'বলৈ সতৰ্ক কৰি দিয়া হৈছে। লগতে তেওঁলোকৰ প্ৰাসংগিক মূল নথি-পত্ৰৰ সৈতে কিউ আৰ কোডত উল্লেখ কৰা অনুসৰি নিযুক্তি মুখ্য কাৰ্যালয়, নিযুক্তি কাৰ্যালয় শ্বিলং, তেজপুৰ আৰু মিছামাৰী চহৰৰ নিৰ্দিষ্ট স্থানসমূহত নিযুক্তি সম্পৰ্কীয় নিৰ্দেশনাসহ প্ৰচাৰ পত্ৰিকা প্ৰদৰ্শন কৰা হৈছে। অসামৰিক প্ৰশাসনে এই সমাৰেশলৈ অহা প্ৰাৰ্থীসকলৰ বাবে খোৱাপানী, ৰে'ল ষ্টেচনৰ পৰা অহা-যোৱা কৰা বাছৰ ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা সুনিশ্চিত কৰিছে। সেনা আৰু আৰক্ষীয়ে নিৰাপত্তা আৰু সমাৰেশ নিয়ন্ত্ৰণৰ বাবে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। অগ্নিবীৰ সেনাত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ যোগ্যতা, মানসিক স্থিতি আৰু শাৰীৰিক শক্তি পৰীক্ষা কৰিবলৈ কৌশল প্ৰস্তুত কৰা হৈছে। উত্তীৰ্ণ প্ৰাৰ্থীসকলক অগ্নিবীৰ জেনেৰেল ডিউটি, ট্ৰেডছমেন আৰু কাৰিকৰী বিভিন্ন পদৰ অধীনত ভাৰতীয় সেনাত অন্তৰ্ভুক্ত কৰা হ'ব।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে বিগত পাঁচটা বছৰত জলজীৱন অভিযান 'হৰ ঘৰ জল'ৰ অধীনত দেশত প্ৰায় ১১ কোটি ৭৫লাখ গ্ৰামীণ পৰিয়ালক নলযোগে খোৱাপানীৰ সংযোগ প্ৰদান কৰিছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত জলশক্তি মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ভি সুমন্নাই আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ২০১৯ চনত এই অভিযান আৰম্ভ কৰাৰ সময়ত দেশৰ ৩ কোটি ২৩ লাখ গ্ৰামীণ পৰিয়ালতহে নলযোগে খোৱাপানীৰ সংযোগ প্ৰদান কৰা হৈছিল। সম্প্ৰতি দেশৰ ৭৭ শতাংশ গ্ৰামীণ পৰিয়ালতে নলযোগে খোৱাপানীৰ সংযোগ দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে প্ৰতিদিনে প্ৰতিগৰাকী ব্যক্তিৰ বাবে ৫৫ লিটাৰকৈ বিশুদ্ধ পানী নলযোগে প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। আনহাতে, এই আঁচনিৰ অধীনত যোগান ধৰা পানীৰ গুণগত মান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত সহায় কৰাৰ বাবে জে

জে এম ৱাটাৰ কোৱালিটি মেনেজমেণ্ট ইনফ’ৰমেচন ছিষ্টেম শীৰ্ষক প’ৰ্টেল বিকশাই তোলা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যসমূহে প’ৰ্টেলযোগে পানীৰ মান, নমুনা সংগ্ৰহ, প্ৰতিবেদন, নিৰীক্ষণ আৰু পানীৰ উৎস সম্পৰ্কত জৰীপ কৰি দাখিল কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক প্ৰতিখন গাঁৱৰ পৰাই ৫ গৰাকীকৈ মহিলাক পানীৰ মান পৰীক্ষা কৰি প’ৰ্টেলত দাখিল কৰাৰ বাবে প্ৰশিক্ষণ দিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooooo

ৰাজ্যখনৰ বান পৰিস্থিতি ক্ৰমাৎ সুস্থিৰ হৈছে যদিও বিভিন্ন অঞ্চলত খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে। গোৱালপাৰা জিলাত বানৰ পাছতে ব্ৰহ্মপুত্ৰৰ খহনীয়াই জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। গোৱালপাৰা আৰু ধুবুৰী জিলাৰ সীমান্তৱৰ্তী অঞ্চলত থকা ব্ৰহ্মপুত্ৰৰ পাৰৰ বুঢ়া-বুঢ়ীৰ থান খহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে। ২০০ বছৰীয়া ইতিহাস সমৃদ্ধ এই থানখনত প্ৰতিবছৰে চ’ত মাহৰ শেষৰ দিনা শিৱ-পাৰ্বতীৰ পূজা আৰু মেলা অনুষ্ঠিত হয়। বিভিন্ন ধৰ্মাৱলম্বী লোকে এই মেলাত অংশ লয়। অঞ্চলটোৰ ৰাইজে কৰ্তৃপক্ষক খহনীয়াৰ সমস্যাৰ সমাধান উলিওৱাৰ বাবে আহ্বান জনাইছে।

oooooooo

তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰ কাৰ্ড পঞ্জীয়ন সম্পৰ্কত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনত এতিয়ালৈকে আধাৰ পঞ্জীয়নৰ পৰা বাদ পৰি থকা ৫ৰ পৰা ৭ বছৰ আৰু ১৫ৰ পৰা ১৭ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীসকলৰ নামসমূহ পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত দীপাংকৰ নাথে শিক্ষাৰ্থীসকলৰ নামসমূহ শীঘ্ৰে জমা দিবলৈ শিক্ষা বিষয়াসকলক আহ্বান জনায়। তেওঁ কোনো ছাত্ৰ-ছাত্ৰী যাতে, আধাৰ পঞ্জীয়নৰ পৰা বাদ পৰি নাযায়, সেই কথা লক্ষ্য ৰাখিবলৈ নিৰ্দেশ দিয়ে।

oooooooo

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈকে ৪ পইণ্ট লাভ কৰি শৃংখলাটোত আগবাঢ়ি আছে। প্ৰতিযোগিতাত ভাৰতে কালি সংযুক্ত আৰব আমেৰিক ৭৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উই এ ই-এ নিৰ্ধাৰিত ২০ অ’ভাৰত ৭টা উইকেট হেৰুৱাই ১২৩ ৰানহে কৰিবলৈ সক্ষম হয়।

oooooooo

ঃসমাপ্তঃ